অধ্যায় ১৫ ঃ অসমৰ নৱ বৈষ্ণৱ আন্দোলনৰ সাংস্কৃতিক অৱদান

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ বৰগীত
১৫.৪ ভাওনা
১৫.৫ বিভিন্ন বাদ্যযন্ত্র
১৫.৬ সত্রীয়া নৃত্য
১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৮ অধিক জানিবলৈ
১৫.৯ অগ্রগতিৰ খতিয়ান
১৫.১০ আৰ্হি প্রশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- শ্রীমন্ত শংকৰদেৱে পাতনি মেলা নৱ-বৈষ্ণৱ আন্দোলন আৰু সেই আন্দোলনৰ ফলত হোৱা সাংস্কৃতিক বিকাশ ব্যাখ্যা কৰিব পাৰিব,
- নৱ-বৈষ্ণৱ সংস্কৃতিৰ ফলস্বৰূপে বিকাশ ঘটা বৰগীত আৰু ভাওনা (শ্রীমন্ত শংকৰদেৱৰ সৃষ্টি)ৰ বর্ণনা আগবঢ়াব পাৰিব, আৰু
- নৱ-বৈষ্ণৱ সংস্কৃতিৰ পোষকতাত বিকশিত হোৱা সত্রীয়া নৃত্যক পৰিৱেশ্য কলাৰ এটা ৰূপ হিচাপে আলোচনা কৰিব পাৰিব।

১৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি মোগল শাসকসকলৰ অধীনত হোৱা ধর্মীয় বিকাশ সম্পর্কে আলোচনা কৰিছোঁ। এই অধ্যায়টিত আমি উত্তৰ আৰু দক্ষিণ ভাৰতৰ, সলনি উত্তৰ-পূৱ ভাৰত, বিশেষকৈ অসমৰ বিষয়ে আলোচনা কৰিম। অধ্যায়টিত নৱ-বৈষ্ণৱ আন্দোলন আৰু এই আন্দোলনে সাধন কৰা সাংস্কৃতিক বিকাশ সম্পর্কে আলোচনা কৰা হ'ব।

কিন্তু ইয়াৰ পূর্বে নৱ-বৈষ্ণৱ ধর্ম বিশ্বাসৰ উত্থান ঘটাৰ আঁৰৰ কাৰণবোৰ জানি থওঁ আহক। পঞ্চদশ শতিকাৰ শেষার্ধৰ পিনে শ্রীমন্ত শংকৰদেৱে (১৪৪৯-১৫৬৮) অসমত ভক্তি আন্দোলনৰ সূচনা কৰিছিল। এই দিশত তেওঁক তেওঁৰ শিষ্যসকলে সহায় কৰিছিল, যিসকলৰ ভিতৰত প্রধান আছিল শ্রীশ্রী মাধৱদেৱ (১৪৮৯-১৫৯৬)। শংকৰদেৱে প্রচাৰ কৰা ধর্মক নৱ-বৈষ্ণৱ ধর্ম বুলি কোৱা হয়। ইয়াৰ বুনিয়াদ আছিল ভাগৱত পুৰাণ বা চমুকৈ ভাগৱত। সেইবাবে তেওঁৰ ধর্মক নৱ-বৈষ্ণৱ ধর্ম আৰু ভাগৱতী ধর্ম উভয় নামেৰে জনা যায়। এই ধর্মই আমাক

এজন ভগৱানত আশ্রয় লবলৈ শিকায়। এই গৰাকী ভগবান অন্য কোনো নহয়, ভগৱান বিষ্ণুৰ এটা ৰূপ ভগৱান কৃষ্ণ। যিহেতু ই এজন ভগবানক বিশ্বাস কৰে, সেয়েহে ইয়াক একশৰণ ধর্ম নামেৰেও জনা যায়। ভগবানৰ প্রতি নিজৰ ভক্তি বা সমর্পণ প্রকাশ কৰিবলৈ ইয়াত "নাম" ৰ (ভগৱানৰ নাম উচ্চাৰণ) গুৰুত্ব আৰোপ কৰা হয় বাবে ইয়াক নামধর্ম বুলিও জনা যায়। এই ধর্মক একশৰণ নাম ধর্ম বুলিও জনা যায়। এই ধর্মৰ অন্য এটা নাম মহাপুৰুষীয়া ধর্ম, যিহেতু শংকৰদেৱক এজন মহাপুৰুষ (মহান লোক) বুলি গণ্য কৰা হয়।

ধর্মীয় আৰু আত্মিক বাণী বিলোৱাৰ বাহিৰেও, শংকৰদেৱৰ ধর্মই বর্ণ আৰু ধর্মগত সামাজিক ভেদাভেদৰ বিৰোধিতা কৰি সমসাময়িক অসমীয়া সমাজৰ সংস্কাৰ আৰু একতা গঢ় দিছিল। সত্র (এক ধর্মীয় অনুষ্ঠান) আৰু নামঘৰ (এক প্রকাৰৰ প্রার্থনাগৃহ) স্থাপন কৰি আৰু ভাওনা (নাট) সত্রীয়া নৃত্য (এক প্রকাৰৰ নৃত্য) আৰু বৰগীত (উচ্চ মানৰ পবিত্র সংগীত) ৰ উদ্ভাৱন কৰি শংকৰদেৱে অসমীয়া সংস্কৃতিক এটা আকৃতি প্রদান কৰিছিল। শংকৰদেৱৰ নাটকসমূহক অংকীয়া নাট বুলি জনা যায়।

১৫.৩ বৰগীত

বৰগীত আক্ষৰিক অর্থত "মহান বা শ্রেষ্ঠ গীত"। কাব্যিক ছন্দত শংকৰদেৱ আৰু মাধৱদেৱ বিৰচিত মুখ্যতঃ নৱ বৈষ্ণৱ আন্দোলনৰ ভক্তি মার্গ- দর্শনৰ শ্রুতিমধুৰ গীত। ভক্তি আদর্শ আৰু শ্রীকৃষ্ণৰ চাতুৰিয়েই বৰগীতসমূহৰ মূল উপাদান। শংকৰদেৱ আৰু মাধৱদেৱে এই ভক্তি আদর্শৰ গীতসমূহক বৰগীত হিচাপে নামাংকৃত কৰাৰ কোনো তথ্য পোৱা নাযায়। সম্ভৱতঃ গুৰু দুজনাৰ অনুগামী সকলে ভক্তি আদর্শৰ গীতসমূহ শ্রেষ্ঠ গীত হিচাপে অভিহিত কৰি বৰগীত আখ্যা দিছিল।

প্রাৰম্ভতে বৰগীতসমূহ সত্র আৰু নামঘৰত প্রার্থনাৰ সময়ত গোৱা হৈছিল। বৰগীতসমূহ ব্রজবুলি ভাষাত লিখিত। বৰগীতসমূহৰ জনপ্রিয়তাই বিভিন্নজনক অনুপ্রাণিত কৰিছিল। মূলতঃ নৱবৈষ্ণৱ আন্দোলনৰ অন্যতম বাহক সত্রৰ অধিকাৰীসকলে ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পৰা বৰগীতৰ লেখীয়া গীত ৰচনা কৰিবলৈ লৈছিল। কিন্তু এই গীতসমূহক বৰগীত আখ্যা দিয়া নহয়। বৰগীত একে ধাৰাৰ আন গীতসমূহতকৈ ইয়াৰ ভক্তিমূলক শব্দৰ ব্যঞ্জনা আৰু হৃদয়স্পর্শী আবেদনৰ বাবে সদায় পৃথক। বৰগীতসমূহক জনপ্রিয় কৰাত সত্রসমূহে মুখ্য ভূমিকা পালন কৰি আহিছে। সত্রসমূহত ইয়াৰ বাবে গায়নৰ তত্ত্বাৱধানত গায়ন আৰু বায়নৰ তত্ত্বাৱধানত বায়ন শৈলীৰ প্রশিক্ষণ প্রদান কৰাৰ প্রক্রিয়া অতীজৰ পৰা চলি আহিছে। সত্রীয়া নৃত্যৰ দৰে বৰগীত সমূহো খোল আৰু তালৰ সহায়ত পৰিবেশন কৰা হয়।

বৰগীতসমূহ বিশেষ ৰাগত পৰিৱেশন কৰা হয়। বৰগীতৰ লগত সংযুক্ত মূল ৰাগ সমূহ হ'ল অহিৰ, আশোৱাৰী,কল্যাণ কামোদ, কেদাৰ, গৌৰী, পূৰবী, বসন্ত, ভাটিয়ালী, মল্লৰ ইত্যাদি। সাধাৰণতে বৰগীতসমূহ ৰাগ দিয়া বা ৰাগ টনাৰে আৰম্ভণি হয়। ই আলপৰ সৈতে একে। ৰাগ দিয়াত হা, ৰি, তা না,হৰি, ৰাম, গোবিন্দ বা কৃষ্ণ-শংকৰ গুৰু-ৰাম ক্রমত ব্যৱহৃত হয়।



সংগীত নাটক একাডেমী ভাৰত চৰকাৰৰ দ্বাৰা স্থাপিত পৰিবেশ্য কলাৰ জাতীয় অনুষ্ঠান।

বৰগীতসমূহ যি কোনো এটা তাল বা ভিন্ন তালৰ লগত সংযুক্ত নির্দিষ্ট ৰাগত গোৱা হয়। বৰগীতৰ মুখ্য তাল হ'ল একতাল, ৰূপকতাল, পৰিতাল, খৰমান আদি। আন তালসমূহৰ ভিতৰত একতাল, আদচাৰি, আৰ বিচামা, উনা, যতি, ওলোটা গঞ্জাল, ৰূপ গঞ্জাল, মঠ তাল আদি উল্লেখযোগ্য।

গুৰু-চৰিত-কথাই সাহিত্য সংস্কৃতিৰ বহু মূল্যবান কার্যাৱলীৰ বিষয়ে আমাক সম্ভেদ দিয়ে। শংকৰদেৱ বদৰিকাশ্রমত থকা সময়ত প্রথমটো বৰগীত ৰচনা কৰিছিল। (মন মেৰি ৰাম চৰণ হি লাগু)অংকীয়া গীত বা অংকৰ গীত অংকীয়া নাটত গোৱা আন এবিধ ৰাগত গোৱা গীত। প্রত্যেকটি গীতে সুনির্দিষ্ট তালত নাটসমূহত পৰিবেশন কৰা হয়।

শংকৰদেৱ আৰু মাধৱদেৱ বিৰচিত বৰগীতৰ সংখ্যাৰ ক্ষেত্রত তাৰতম্য দেখা যায়। চৰিত পুথিৰ মতে শংকৰদেৱ বিৰচিত বৰগীতৰ সংখ্যা ২৪০ টা। তেওঁ এই বৰগীতসমূহ কমলা বায়নক গাবৰ বাবে মুখস্থ কৰিবলৈ দিছিল। কিন্তু দুর্ভাগ্যবশতঃ এই বৰগীতসমূহ বনপোৰা জুইত ধবংস হয়। মাত্র ৩৪ বা ৩৫ টা বৰগীতহে ভকতসকলৰ মুখস্থ আছিল আৰু সেইসমূহ পুনৰ লিখিত হৈ আজিলৈকে প্রচলিত হৈ আছে। এই দুর্ভাগ্যজনক ঘটনাৰ পিছত শংকৰদেৱৰ বৰগীত ৰচনাৰ স্পৃহা নোহোৱা হয়। তেওঁৰ প্রিয় অনুগামী মাধৱদেৱক বৰগীত ৰচনাৰ বাবে আহ্বান জনায়। গুৰুৰ নির্দেশ মর্মে মাধৱদেৱে বৰগীত ৰচনাত ব্রতী হয় আৰু ১৯১টা বৰগীত ৰচনা কৰে। তাৰ ভিতৰত উদ্ধাৰ হোৱা মুঠ ১৮২ টা বৰগীত বর্তমান প্রচলিত।

১৫.৪ ভাওনা

নৱ বৈষ্ণৱ পৰম্পৰাৰ এইবিধ অন্যতম নাট্যকলাৰ উৎপত্তি 'নাট' বা 'অংক'ত হৈছিল যি পিছলৈ অংকীয়া নাট নামে জনাজাত হৈছিল। এই নাট্যশৈলীৰ নাট বা ভাওনাসমূহ অংকীয়া নাটৰ আর্হিত লিখা।



জানি থোৱা ভাল

অংকীয়া নাটসমূহ ঃ শংকৰদেৱ আৰু মাধৱদেৱ ৰচিত একাংক নাট। এই দুজনা ধর্মগুৰুৰ দ্বাৰা ৰচিত নাটসমূহ গীত, বচন আৰু সংস্কৃত শ্লোকৰ সমাহাৰ। বর্হিঃ অসমৰ লগতে পৰম্পৰাগত ভাৱে অসমত প্রচলিত নাট আৰু পুৰণি সংস্কৃত নাটসমূহৰ আলমত শংকৰদেৱে অংকীয়া নাট ৰচনা কৰিছিল। অংকীয়া নাটসমূহ ব্রজবুলি ভাষাত ভগৱান শ্রীকৃষ্ণক মূল উপজীব্য হিচাপে লৈ ৰচনা কৰা হৈছিল। শংকৰদেৱ ৰচিত অংকীয়া নাটৰ বিষয়বস্তু ভাগৱত পুৰাণ, হৰিবংশ, ৰামায়ণ, মহাভাৰত আদিৰ পৰা লোৱা। শংকৰদেৱে ছখন অংকীয়া নাট ৰচনা কৰিছিল। সেইকেইখন হ'ল- পত্নী প্রসাদ, কালিয় দমন, কেলি গোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ আৰু ৰাম-বিজয়। মাধৱদেৱ ৰচিত নাটসমূহক পূর্ণাংগ নাট আখ্যা দিয়াৰ বিপৰীতে সেইবিলাক "ঝুমুৰা" হিচাপে পৰিচিত।

চিহ্নযাত্রা শংকৰদেৱ বিৰচিত প্ৰথম অংকীয়া নাট হিচাপে গণ্য কৰা হয় যদিও ইয়াৰ পাঠোদ্ধাৰ হোৱা নাই। মাধৱদেৱে লিখা নাটসমূহৰ ভিতৰত 'অৰ্জুন ভঞ্জন' হৈছে পূৰ্ণ পৰ্যায়ৰ অংকীয়া নাট। আন ৰচনাসমূহ হ'ল ঝুমুৰা, ভূমি লেটো�ৰা, ভোজন বেহাৰ, কোটোৰা খেলা, চো�ৰধৰা, ৰাস ঝুমুৰা, ৰামযাত্রা আদি । শংকৰদেৱ বিৰচিত শেষ নাটখন হ'ল ৰাম বিজয়।

শংকৰদেৱ আৰু মাধৱদেৱে তেওঁলোকে লিখা নাটসমূহক অংকীয়া নাট হিচাপে নামাংকৃত কৰা নাছিল। তেওঁলোকে এই সৃষ্টি সমূহক নাট, নাটক, যাত্রা, ঝুমুৰা আদি বুলিহে কৈছিল। পৰৱর্তী সময়ত জীৱনী ৰচয়িতা সকলেহে 'অংক' অভিধাটি ব্যৱহাৰ কৰিছিল। এই 'অংক' পৰৱর্তী সময়ত অংকীয়া নাটলৈ ৰূপান্তৰিত হয়। ভাওনাসমূহ অংকীয়া নাট পৰিৱেশনৰ অভিকেন্দ্ৰ আছিল আৰু শংকৰদেৱেও ইয়াত ভাও দিছিল। বহুতে অংকীয়া নাটক অংকীয়া ভাওনা বুলিও আখ্যা দিয়ে। অংকীয়া নাটসমূহৰ দৃশ্যৰ মাজত কোনো ভাগ নাথাকে। প্ৰত্যেকটি অধ্যায়ে সূত্রধাৰৰ কাৰ্যৱলীৰ যোগেদি সংযোগ ঘটোৱা হয়।

শংকৰদেৱ আৰু মাধৱদেৱৰ পৰৱর্তী কালতো নাট লিখাৰ পৰম্পৰা বাহাল আছিল যদিও 'গুৰু' দুজনাৰ নাটসমূহক মূল অংকীয়া নাট হিচাপে অভিহিত কৰা হয়। মূল অংকীয়া নাটক বাদ দি পৰিৱেশন কৰা আন নাটসমূহক ভাওনা বুলি অভিহিত কৰা হয়। আনহাতে, পৰম্পৰাগত শৈলীত পৰিৱেশন কৰা অংকীয়া নাটসমূহক অংকীয়া ভাওনা বুলি কোৱা হয়। ভাওনাৰ বাবে লিখা নাটসমূহৰ ভাষা ব্রজবুলি আৰু অসমীয়াত লিখা নাটসমূহক মাতৃভাষাৰ ভাওনা হিচাপে অভিহিত কৰা হয়।

বিনোদনৰ মাধ্যমেৰে আধ্যাত্মিক বাণী প্ৰচাৰেই হ'ল ভাওনাৰ মূল লক্ষ্য। শংকৰদেৱ আৰু মাধৱদেৱৰ অংকীয়া নাটৰ আৰ্হিত ৰচিত ভাওনাসমূহ নৱ বৈষ্ণৱ ধাৰাৰ নাট। এই ধাৰাৰ নাটসমূহে সত্যৰ বিজয়, ৰজা-ৰাণী, দানৱ-ভগৱান আদি পৌৰাণিক চিত্র ৰূপায়ণৰ জৰিয়তে নাটসমূহে পৰিসংহাৰত সত্যৰ বিজয় প্ৰদৰ্শন কৰে। অংকীয়া নাটক ৰচনাৰ আগৰ কালছোৱাত ৰামায়ণ, মহাভাৰত বা পু�ৰাণৰ কাহিনীবোৰক ভাওনাৰ কাহিনী হিচাপে নিৰ্বাচন কৰা হৈছিল। ভাওনাসমূহ নামঘৰ বা সত্রত মঞ্চস্থ কৰা হৈছিল। ভাওনাৰ অভিনয় শিল্পীসকল গাঁৱৰ অভিনয় দক্ষতা থকা লোকসকলৰ মাজৰ পৰা নিৰ্বাচন কৰি লোৱা হৈছিল। সাধাৰণতে ভাওনাসমূহ শ্রীকৃষ্ণৰ জন্মাষ্টমী, শংকৰদেৱ আৰু মাধৱদেৱৰ জন্ম তিথি, দৌলযাত্রা; ৰাস পূৰ্ণিমা অনুষ্ঠানাদিত পৰিৱেশন হৈছিল।

এইটো গুৰুত্বপূৰ্ণ যে কিছুমান সত্রত অংকীয়া নাট আৰ্হিত নাটৰ ৰচনা কৰি সত্রাধিকাৰ অভিষেক অনুষ্ঠানত প্ৰদৰ্শন কৰাটো বাধ্যতামূলক। ভাওনাৰ শিল্পীসকলে বিভিন্ন মুখা পৰিধান কৰি ভগৱান বা দানৱৰ বিভিন্ন চৰিত্রসমূহ ৰূপায়ণ কৰে। শিল্পীসকলে ব্রজবুলি ভাষাত বচন আওৰাই। বৰ্তমান সময়ত উজনি অসমত কথিত অসমীয়া ভাষাটো ভাওনা পৰিৱেশন কৰা দেখা যায়। গীত আৰু নৃত্য ভাওনা পৰিৱেশনৰ এক অন্যতম আহিলা। শিল্পীসকলে ছন্দোবদ্ধভাৱে মঞ্চত প্ৰবেশ আৰু সঞ্চালন কৰে।

ভাওনাসমূহত দৃশ্য আৰু অভিনয়ৰ ক্ষেত্রত কোনো ভাগ নাথাকে। সূত্রধাৰে বিভিন্ন অধ্যায় সংযোগ কৰে। বিভিন্ন চৰিত্রৰ প্রৱেশ আৰু প্রস্থানৰ সন্দর্ভত গীতৰ মাধ্যমেৰে বর্ণনা কৰি যায়। সূত্রধাৰী নাচ সূত্রধাৰৰ প্রৱেশৰ মূল আহিলা। প্রৱেশৰ সময়ত আশীর্বাদ সূচক গীতৰ মাধ্যমেৰে দর্শকৰ সৈতে সংযোগ স্থাপন কৰে একমাত্র সূত্রধাৰে। সূত্রধাৰজনক কেৱল ভাওনাৰ সাধাৰণ শিল্পী হিচাপেই নহয় উৎকৃষ্ট শিল্পী হিচাপে অভিহিত কৰিব পাৰি যি একাধাৰে নৃত্যবিদ, গায়ক তথা সংযোজক।

ভাওনাৰ আন চৰিত্রসমূহৰ ভিতৰত অন্যতম হ'ল ভাৰৰীয়া। এই ভাৰৰীয়াই বিভিন্ন চৰিত্র ৰূপায়ণ কৰে, গায়নে গীত পৰিৱেশন কৰে আৰু বায়নৰ দলে ভাওনাৰ আৰম্ভণিৰ পৰা শেষলৈ বাদ্যযন্ত্র বজায় মূলত— খোল, তাল আৰু বাঁহী।

বিশেষজ্ঞসকলে ভাওনা বা অংকীয়া নাটত মধ্যযুগৰ স্থানীয় ভাষাৰ নাটকৰ উন্নতিত থকা অৱদানৰ কথা উল্লেখ কৰিছে। কপিল বাৎসায়নে এই শৈলীটোক প্রশংসা কৰি ইয়াৰ প্রভাৱ বিহাৰ, উত্তৰপ্রদেশতো প্রতিফলিত হোৱাৰ প্রসংগ উল্লেখ কৰে।

বর্তমান সময়তো অসমৰ বিভিন্ন ঠাইত ভাওনাৰ প্রদর্শন বহুলভাৱে আয়োজন কৰা দেখা যায়। নগাওঁ আৰু শোণিতপুৰ জিলাত বিভিন্ন নাট্যশৈলীৰ ভাওনা একেটা প্রেক্ষাগৃহতে আয়োজন কৰা দেখা যায়। গাঁৱৰ ৰাইজে বহুলভাৱে এই ভাওনাৰ আয়োজন কৰে। ব্যাপকভাৱে প্রদর্শিত এই ভাওনাক বাৰে চহৰীয়া ভাওনা বা হেজাৰী ভাওনা বোলা হয়।



উৎস ঃ
Google images

চিত্র ১ ঃ মুখা পিন্ধি ভাওনা পৰিৱেশন কৰা চিত্র

স্থানীয় লোক পৰম্পৰাৰ লগত ভাওনাৰ যোগসূত্র লক্ষ্যণীয়। ভাওনাৰ প্রদর্শনৰ সময়ত জনপ্রিয় লোকগাথাৰ চৰিত্রসমূহ পৰিস্ফুট হয়। খুলীয়া ভাওনা হৈছে ভাওনাৰ আন এক ধাৰা। আহোম শাসকসকল কলা-সাংস্কৃতিৰ মহান পোষ্ঠপোষক আছিল আৰু তেওঁলোকে কলা-সংস্কৃতিৰ প্রতি মুকলি সহযোগ আগবঢ়াইছিল বীৰ চিলাৰায়ে প্রসিদ্ধ বৰগীত গায়িকা ভূৱনেশ্বৰীক বিয়া

ভাওনা, বৰগীত আদিত ব্যৱহৃত কেইবিধমান বাদ্যযন্ত্রৰ নাম তলত উল্লেখ কৰা হ'ল-

কৰাইছিল। চিলাৰায়ে ধর্মগুৰুৰ ওচৰত বৰগীত চর্চাও কৰিছিল। ৰুদ্রসিংহই পশ্চিম প্রান্তৰ সাম্রাজ্যৰ (ভাটিদেশ) পৰা গান আৰু কলাৰ আমদানিৰ ওপৰত গুৰুত্ব প্রদান কৰিছিল। ৰাণী ফুলেশ্বৰী ৰাণীৰ আসনত অধিষ্ঠিত হোৱাৰ আগলৈ নর্তকী হিচাপে পৰিচিত আছিল। দৃশ্যমান আৰু পৰিবেশ্য কলাসমূহৰ প্রভাৰ ইমান বেছি আছিল যে ৰুদ্রসিংহ আৰু শিৱসিংহই তালত গীত ৰচনা কৰিছিল।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্ন সমূহৰ উত্তৰ দিয়ক ঃ

প্রশ্ন ১ ঃ শংকৰদেৱে কেইটা বৰগীত ৰচনা কৰিছিল?

_____

প্রশ্ন ২ ঃ অংকীয়া গীত কি?

_____

প্রশ্ন ৩ ঃ মাধৱদেৱৰ কোনখন নাটকক এখন পূর্ণাংগ অংকীয়া নাট বুলি কোৱা হয়?

_____

প্রশ্ন ৪ ঃ অংকীয়া নাট পৰিৱেশনৰ মাধ্যমটো কি?

_____

প্রশ্ন ৫ ঃ ভাওনাত ব্যৱহৃত কেইবিধমান বাদ্যযন্ত্রৰ নাম লিখক।

_____

প্রশ্ন ৬ ঃ শ্রী শংকৰদেৱে ৰচনা কৰা অন্তিমখন অংকীয়া নাটৰ নাম কি?

_____

১৫.৫ বিভিন্ন বাদ্যযন্ত্র



চিত্র ২ ঃ খোল

উৎস ঃ Google images

খোল হ'ল এবিধ পিপা সদৃশ ঢোল। ইয়াক ভাওনা, অংকীয়া নাট আৰু বৰগীত পৰিৱেশনৰ সময়ত বজোৱা হয়।



চিত্ৰ ৩ ঃ ডবা

উৎস ঃ Google images

চিত্ৰত দেখুওৱাৰ দৰে ডবা হৈছে এক প্ৰকাৰৰ ডাঙৰ ঢোল। ভাওনা পৰিৱেশনৰ সময়ত ডবা কোবোৱা হয়। ডবা নৱ-বৈষ্ণৱ সংস্কৃতিৰ এক অপৰিহাৰ্য অংশ হৈ পৰিছে। নামঘৰতো ডবা কোবোৱা হয়।



চিত্ৰ ৪ ঃ তাল

উৎস ঃ Google images

তাল বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। ডাঙৰ আকাৰৰ তালক বৰ-তাল বোলে। চেপেটা আকৃতিৰ তালক পাতি-তাল বোলে। ক্ষুদ্ৰাকৃতিৰ তালক সৰু-তাল, খুঁটিতাল নাইবা মঞ্জিৰা বুলি কোৱা হয়।

ওপৰত উল্লেখ কৰা বাদ্যযন্ত্ৰবোৰৰ উপৰি ভাওনা পৰিৱেশনৰ সময়ত বাঁহী নাইবা মুৰুলী, বৰকাঁহ আৰু শংখও বজোৱা হয়। এইখিনিতে এটা কথা জানি থোৱা ভাল যে অঞ্চল বিশেষে ভাওনা পৰিৱেশনৰ কালত কালিয়া নামৰ পেঁপাবিধো বজোৱা হৈছিল। সমসাময়িক কালত সত্ৰীয়া নৃত্য পৰিৱেশনৰ সময়ত হাৰম'নিয়াম আৰু বেহেলাৰ দৰে আধুনিক বাদ্যযন্ত্ৰও বজোৱা হয়।

১৫.৬ সত্রীয়া নৃত্য

অসমত এক ধ্রুপদী নৃত্যৰূপে সত্রীয়া নৃত্য বিকাশ ঘটিছে। সত্রীয়া নৃত্য হৈছে অসমত বিকশিত হোৱা শাস্ত্রীয় শৈলীৰ এক ধৰণৰ নৃত্য। হাত, ভৰি আদি অংগ সঞ্চালন, পোছাক পৰিচ্ছদৰ সুস্পষ্ট নীতি সম্বলিত সত্রীয়া নৃত্য এটি সম্পূর্ণ বেলেগ কলা । মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ তত্ত্বাৱধানত এই নৃত্যই বিকাশ লাভ কৰিছিল আৰু এই নৃত্য সাধাৰণতে সত্রসমূহত পৰিবেশিত অংকীয়া নাট আৰু ভাওনাৰ এক অবিচ্ছেদ্য অংগ আছিল। অসমৰ নৱবৈষ্ণব ধাৰাৰ লগত জড়িত সত্রানুষ্ঠানসমূহে পঞ্চদশ আৰু ষষ্ঠদশ শতিকাত ঠন ধৰি উঠিছিল। সত্রীয়া নৃত্যসমূহৰ আৱির্ভাব আৰু বিকাশ সত্রানুষ্ঠানসমুহৰ জৰিয়তে হোৱা বাবেই ইয়াক সত্রীয়া নৃত্য নামে জনা যায়। এই অনুষ্ঠানটি সৃজনীশীল কলা তথা ধর্মীয় আৰু সামাজিক ধাৰণাসমূহৰ বহুল প্রচলনৰ কেন্দ্রস্থল হিচাপে গা কৰি উঠিছিল।

বহুতে এয়াও বিশ্বাস কৰে যে শংকৰদেৱে সত্রীয়া নৃত্যৰ জৰিয়তে অসমৰ পৰম্পৰাগত চহকী সংস্কৃতিক সর্বভাৰতীয় পর্য্যায়ত এটা নতুন ৰূপত দাঙি ধৰিব বিচাৰিছিল।

কিন্তু শাস্ত্রীয় শৈলীৰ লগত সংলগ্ন কেতবোৰ অনমনীয় নীতি আৰু শৈক্ষিক গৱেষণাৰ অভাৱত অসমৰ সত্রীয়া নৃত্যই সর্বভাৰতীয় শাস্ত্রীয় নৃত্যৰ ধাৰাত অন্তর্ভুক্ত হোৱাত যথেষ্ট বিলম্ব হৈছিল যদিও ২০০০ বর্ষৰ ১৫ নৱেম্বৰ তাৰিখে সংগীত নাটক একাডেমীয়ে সত্রীয়া নৃত্যক ভাৰতৰ আঠবিধ শাস্ত্রীয় নৃত্যৰ এবিধ হিচাপে স্বীকৃতি প্রদান কৰিছে।

শংকৰদেৱৰ পিছত তেওঁৰ মুখ্য অনুগামী আৰু ধর্মবাণী প্রচাৰক মাধৱদেৱে তেওঁৰ গুৰুৰ পদাংক অনুসৰণ কৰি অকল সত্রীয়া নৃত্যৰ প্রসাৰেই নহয় সত্রীয়া নৃত্য শৈলীলৈ নটুৱা নৃত্য আৰু চালি নৃত্য নামৰ দুবিধ নতুন শৈলীৰ নৃত্যৰ সংযোজন ঘটাইছিল।

কিন্তু যেতিয়া সত্রীয়া নৃত্যৰ নতুন ধাৰা সংযোজন ঘটাইছিল তেতিয়া তেওঁ প্রৱর্তন কৰা সত্রীয়া নৃত্যৰ মূল লক্ষ্য নীতিৰ পৰা বিচলিত হোৱা নাছিল।

বৰপেটাত মাধৱদেৱে কীর্তনঘৰ প্রতিষ্ঠা কৰিছিল যাক "ৰঙীয়াল গৃহ" নামেৰে জনা যায় য'ত সত্রীয়া নৃত্যৰ নতুন শৈলীৰ আখৰা কৰা হৈছিল। তেওঁৰ এজন অনুগামী পদ্ম আতাই (কমলাবাৰী সত্রৰ প্রতিষ্ঠাতা) বৰপেটাত সত্রীয়া নৃত্য শিকিছিল আৰু উজনি অসমত ইয়াক প্রসাৰিত কৰিছিল। মাধৱদেৱৰ বিয়োগৰ পিছতো সত্রীয়া নৃত্য অব্যাহত আছিল আৰু সত্রানুষ্ঠানসমূহে ইয়াক সংৰক্ষণ, প্রদর্শন আৰু জনপ্রিয় কৰিছিল।

সময়ৰ লগতে মানুহৰ ৰুচিবোধৰ পৰিবর্তনৰ লগত সংগতি ৰাখি সত্রসমূহে সত্রীয়া নৃত্যক নতুন ৰূপত প্রদর্শন কৰাৰ সময়ত ইয়াৰ মূল নীতিসমূহ অক্ষুণ্ণ ৰাখিছিল। ইয়াৰ উদাহৰণ স্বৰূপে ৰজাঘৰীয়া চালি নৃত্য আদিৰ কথা উনুকিয়াব পাৰি।

ৰজাঘৰৰ ফালৰ পৰাও কিছু সংখ্যক সত্রক সন্মান প্রদর্শন কৰা হৈছিল আৰু ৰাজপ্রাসাদত সত্রীয়া নৃত্য প্রদর্শনৰ ব্যৱস্থা কৰি দিছিল। এনেকুৱা অনুষ্ঠানসমূহে সত্রীয়া নৃত্যক সত্রৰ চাৰিবেৰৰ মাজৰ পৰা বাহিৰৰ জগতখনলৈ উলিয়াই আনিছিল। ৰাজপ্রাসাদত প্রদর্শনৰ সময়ত ধর্মীয়

দিশটোতকৈ কলাসুলভ দিশটোত বেছি গুৰুত্ব প্রদান কৰা হৈছিল। বিংশ শতিকাৰ প্রথম ভাগলৈ সত্রীয়া নৃত্য ধর্মীয় পৰম্পৰাৰে সত্রৰ ভকত (পুৰুষ) সকলে সত্রৰ দৈনিক ধর্মীয় কাম কাজ তথা বিশেষ উৎসৱসমূহত প্রদর্শন কৰিছিল। আজিৰ দৰে আগৰ দিনত মহিলাসকলক সত্রীয়া নৃত্য পৰিবেশনৰ বাবে অনুমতি দিয়া হোৱা নাছিল। মহিলাৰ অনুমতি নথকা হেতু সত্রৰ ডেকা ল'ৰাক (যাক নটুৱা বোলা হয়) মহিলাসকলৰ ভাও তথা নৃত্য প্রদর্শনৰ বাবে প্রশিক্ষিত কৰা হৈছিল।

মাটি আখৰা নামৰ এক বহল প্রথাৰ জৰিয়তে সত্রৰ ডেকা ল'ৰাসকলক ৬৪ বিধ ভিন্ ব্যায়ামেৰে প্রশিক্ষণ দিয়া হৈছিল। কিন্তু বর্তমান সময়ত পুৰুষ -মহিলা উভয়ে মঞ্চত সত্রীয়া নৃত্য পৰিবেশন কৰে। পৰম্পৰাগতভাবে সত্রীয়া নৃত্য বিভিন্ন আখ্যানৰ আধাৰতেই প্রদর্শিত। বর্তমান কালত সত্রীয়া নৃত্যত পৌৰাণিক আখ্যানৰ লগতে আন বিভিন্ন উপাদানৰো সমাহাৰ দেখা যায়।

সামগ্রিকভাবে সত্রীয়া নৃত্যক দুটা ভাগত বিভক্ত কৰিব পাৰি। এটা হ'ল অংকীয়া নাট আৰু ভাওনা আৰু আন নাটকীয় উপস্থাপনৰ উৎপত্তি বা আধাৰ আৰু আনটো হ'ল মুক্ত শৈলী। সত্রীয়া নৃত্য, অংকীয়া নাট আৰু ভাওনাৰ লগত ওতঃপ্রোতভাৱে জড়িত।

সূত্রধাৰী নাচ হৈছে সূত্রধৰৰ নাচ য'ত ভাওনাৰ মূল চৰিত্রসমূহক গায়কী শৈলীৰে দর্শকৰ আগত চিনাকী কৰাই দিয়ে। অন্য চৰিত্রসমূহেও নাচৰ জৰিয়তে মঞ্চত প্রৱেশ কৰে, যেনে, প্রৱেশৰ নাচ বা কৃষ্ণ নাচ আৰু গোপী প্রৱেশৰ নাচ। পৰৱর্তী সময়ত ছন্দত গোপীৰ প্রৱেশ ঘটে। দৈত্য বা দানব, বহুৰা আদিৰ সুকীয়া ছন্দৰ লয়লাস দেখিবলৈ পোৱা যায়।

নাটকীয়া শৈলীৰ নাচসমূহৰ ভিতৰত ঝুমুৰা, বেহাৰ আৰু নান্দী ভংগী নাচ অন্যতম। ৰাস ঝুমুৰা আৰু নান্দীভংগী নৃত্য বৃন্দাবনৰ গোপীসকলৰ আৱেগক কেন্দ্রীভূত। মাধৱদেৱৰ ৰচিত নাট 'ভোজন বেহাৰৰ' পৰা বেহাৰ নাচৰ উৎপত্তি। এনে ধৰণৰ নাটকীয় শৈলীৰ 'ৰাসৰ নাচৰ' উৎপত্তি শংকৰদেৱ আৰু মাধৱদেৱ ৰচিত নাট যথাক্রমে কেলি গোপাল আৰু ৰাস ঝুমুৰাৰ পৰা নিসৃত।

সত্রীয়া নৃত্যৰ মুক্ত নাচসমূহৰ ভিতৰত চালি নৃত্য ৰজাঘৰীয়া নৃত্য, অঙ্গৰা নৃত্য, নটুৱা নৃত্য ইত্যাদি অন্যতম। চালি নাচে মূলত নাৰীৰ আবেগ প্রকাশ কৰে আৰু সেয়ে ই নাৰীসুলভ আৰু ভিন্ন তালত ভৰি সঞ্চালনেৰে প্রদর্শন কৰে। ৰজাঘৰীয়া চালি নাচ আন এক প্রকাৰৰ চালি নাচ। ৰাজপ্রাসাদত প্রদর্শনৰ কৰা ৰাজঘৰীয়া চালি আন এবিধ চালি নৃত্যই, যাক ৰজা ঘৰত প্রদর্শনৰ হেতু কিছু উন্নত কৰা হৈছিল। এই চালি নৃত্যত ৰামদানী (প্রাথমিক) আৰু গা নাচ (মূল নৃত্য) অন্তর্ভুক্ত।

সত্রীয়া নৃত্যৰ বিভিন্ন শৈলীসমূহ ভাৰতৰ আন শাস্ত্রীয় নৃত্যৰ ছন্দোবদ্ধভাবে শৰীৰ তথা ভৰি হাত সঞ্চালনেৰে ভাবাবেগসমূহ প্রদর্শন কৰে। নৃত্যসমূহ নাট প্রদর্শনৰ এক অন্যতম উপাদান। সত্রীয়া নৃত্যসমূহ ভক্তিমূলক গীত বৰগীতৰ সহায়ত প্রদর্শন কৰা হয় আৰু খোল, তাল, বাঁহী মুখ্য বাদ্য যন্ত্র হিচাপে ব্যৱহৃত হয়। বর্তমান সময়ত হাৰম'নিয়াম আৰু বেহেলাও সত্রীয়া নৃত্যৰ প্রদর্শনৰ সময়ত ব্যৱহাৰ কৰা হয়। সত্রীয়া নৃত্য সমাজৰ সকলো শ্রেণীৰ লোকৰ বিনোদনৰ লগতে ভক্তি মার্গ দর্শনৰ আহিলা হিচাপে প্রদর্শন কৰা হয়।

সত্রীয়া নৃত্য পৰিবেশনত সাধাৰণতে পাটৰ পোছাক পৰিধান কৰা হয়। পুৰুষ আৰু মহিলা শিল্পীসকলৰ পোছাকত সামান্য পাৰ্থক্য দেখা যায়। পুৰুষসকলে ধূতি আৰু চাদৰ পৰিধান কৰে। পুৰুষ মহিলা উভয়ে ককালত কাঞ্চী বা কিংকিনী পৰিধান কৰে। পৰম্পৰাগত অসমীয়া আ-অলংকাৰসমূহ নৃত্য শিল্পীসকলে পৰিধান কৰে। যেনে, খাৰু, বানা, গলপতা, ডুগডুগী ইত্যাদি।



চিত্ৰ ৫ ঃ সত্রীয়া নৃত্য

উৎস ঃ Google images



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ ৰঙীয়াল গৃহ কি?

.....

প্রশ্ন নং ৯ ঃ কিংকিনী বুলিলে কি বুজে?

.....

প্রশ্ন নং ১০ঃ কমলাবাৰী সত্রৰ প্রতিষ্ঠাপক গৰাকীৰ নাম কি?

.....



১৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিলে যে—

- শংকৰদেৱে জনসাধাৰণৰ মাজত ভক্তি ভাৱৰ প্রচলনৰ বাবে সত্রীয়া নৃত্য সৃষ্টি আৰু প্রসাৰ কৰিছিল।

- উপাসনাৰ গীত বা ববগীতসমূহ সাধাৰণতে নৱবৈষ্ণব আন্দোলনৰ ভক্তি ধাৰাৰ প্ৰচাৰৰ এক অংগ।
- অংকীটা নাট শংকৰদেৱ আৰু মাধৱদেৱৰ ব্ৰজবুলি ভাষাৰ গীতসমূহ ভগৱান কৃষ্ণক কেন্দ্ৰ হিচাপে লৈ ৰচিত। পৰম্পৰাগত বিনোদনধৰ্মী অংকীয়া নাটৰ আলমত লিখা ভাওনাসমূহ অংকীয়া ভাওনা বা অংকীয়া নাট ।



১৫.৮ অধিক জানিবলৈ

- Neog. M. (1965). *Sankardev and his Times : Early History of the Vaishnava Faith & Movement in Assam*. Gauhati, India : Gauhati University.
- Sarma, S.N. (1966). *The Neo Vaisnavite Movement & the Satra Institution of Assam*. Guwahati : G.U.
- Mahanta P.J. (2007). *The Sankardev Movement Its Cultural Horizons*. Guwahati : Purbanchal Prakash.
- Dutta. Birendranath. (2012). *Cultural Contours of North East India*. New Delhi, India : OUP.



১৫.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ ২৪০ টা

২ নং প্ৰশ্ন উত্তৰ ঃ অংকীয়া নাটৰ লগত জড়িত ৰাগ নিৰ্ভৰ গীতক অংকীয়া গীত বুলি জনা যায়।

৩ নং প্ৰশ্ন উত্তৰ ঃ অৰ্জুন ভঞ্জন

৪ নং প্ৰশ্ন উত্তৰ ঃ ভাওনা

৫ নং প্ৰশ্ন উত্তৰ ঃ খোল, তাল।

৬ নং প্ৰশ্ন উত্তৰ ঃ অৰ্জুন ভঞ্জন

৭ নং প্ৰশ্ন উত্তৰ ঃ ৰাম বিজয়

৮ নং প্ৰশ্ন উত্তৰ ঃ চালি নৃত্য

৯ নং প্ৰশ্ন উত্তৰ ঃ পুৰুষ মহিলা উভয়ে ককালত পৰিধান কৰা পোছাক

১০ নং প্ৰশ্ন উত্তৰ ঃ পদ্ম আতা



১৫.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ ভকতসকল কোন?

প্ৰশ্ন ২ ঃ ভাওনাত সূত্ৰধৰৰ ভূমিকা কি?

প্ৰশ্ন ৩ ঃ মাটি আখৰা বুলিলে কি বুজে?

প্ৰশ্ন ৪ ঃ বৰগীতটি কোনে ৰচনা কৰিছিল?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ চমুটোকা লিখকঃ

(ক) বাৰেচহৰীয়া ভাওনা

(খ) মাধৱদেৱ

(গ) সূত্ৰধাৰ

(ঘ) বৰগীতৰ ৰাগ আৰু তাল।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ সংস্কৃতিৰ ধ্বজা বাহক হিচাপে শংকৰদেৱৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ নৱবৈষ্ণৱ আন্দোলনৰ ফলস্বৰূপে বিকাশ লাভ কৰা অসমৰ বিভিন্ন কলাসমূহৰ বিষয়ে আলোচনা কৰক।

****



REFERENCES:

অসমীয়া গ্ৰন্থ

- ভৰালী, শৈলেন; (২০১০); *অসমীয়া লোক নাট্য পৰম্পৰা;* গুৱাহাটী: বাণী প্ৰকাশন
- বৰদলৈ, নিৰ্মলপ্ৰভা; (২০০৪); *অসমৰ লোক সংস্কৃতি;* গুৱাহাটী: বীণা লাইব্ৰেৰী
- ডেকা, ড° নমিতা; (সম্পা.) (২০১০); *অসম দৰ্পন;* গুৱাহাটী: বাণী মন্দিৰ
- গগৈ, লীলা; (২০১০); *অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা;* ডিব্ৰুগড়: বনলতা প্ৰকাশন
- গোস্বামী, প্ৰফুল্ল দত্ত; (২০১৪); *অসমীয়া জন সাহিত্য;* গুৱাহাটী: বাণী প্ৰকাশ মন্দিৰ
- নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা; (২০০৩); *অসমীয়া সংস্কৃতি;* গুৱাহাটী: বনলতা প্ৰকাশন
- শৰ্মা, নবীন চন্দ্ৰ; (২০১৩); *লোক সংস্কৃতি;* গুৱাহাটী: চন্দ্ৰ প্ৰকাশন
- শৰ্মা, নবীন চন্দ্ৰ; (২০১৪); *অসমৰ লোক সাহিত্য;* গুৱাহাটী: জ্যোতি প্ৰকাশন
- শৰ্মা, শশী; (২০১১); *অসমৰ লোক সাহিত্য;* গুৱাহাটী: ষ্টুডেণ্টচ্' ষ্টোৰ্চ

English Books:

1. Chandra, Satish. (2011): *A History of Medieval India*, Orient Blackswan, New-Delhi
2. Chaudhuri, K.C. (2016): *History of Medieval India*, New Central Book Agency, Kolkata
3. Datta, Birendranath. (2012). C*ultural Contours of North East India*. Oxford University Press, New Delhi: India
4. Farooqui, Salma Ahmed. (2011): *A Comprehensive History of Medieval India*, Pearson, New-Delhi
5. Harle, J.C. (1986). Art and Architecture of the Indian Subcontinent. Penguin Publication, New Delhi: India.
6. Jha, D.N. (1977). *Ancient India: An Introductory Outline*. New Delhi, India: Peoples' Publishing House
7. Kosambi, D.D. (2001): *The Cultural and Civilization of Ancient India in Historical Outline*. New Delhi, India: Vikas Publishing House.
8. Mahanta, P.J. (2007). *The Sankardev Movement: Its Cultural Horizons*. Purbanchal Prakash, Guwahati

9. Maiti, Provatansu. (2014): *Medieval India*, Sreedhar Publishers, Kolkata

10. Majumdar, R.C., Raychaudhuri , H.C.,Datta, K. (1986). *An Advanced History of India*. New Delhi, India: Macmillan India Ltd.

11. Neog, M., (1965). *Sankardev and His Times: Early History of the Vaisnava Faith and Movement in Assam*. Gauhati University, Guwahati

12. Raychaudhuri, H.C. (1972). *Political History of Ancient India*. Calcutta, India: University of Calcutta.

13. Sarma, S.N. (1966). *The Neo Vaisnavite Movement and The Satra Institution of Assam*. Gauhati University, Guwahati

14. Singh, Upinder. (2009): *A History of Ancient and Early Medieval India, from the Stone Age to the 12th Century*. New Delhi, India: Pearson.

15. Thapar, Romila. (2003): *The Penguin History of Early India: From the origins to AD 1300*. New Delhi, India: Penguin Books.